**যতি**—যতিৰ অৰ্থ বিৰাম। ভাব-তৰঙ্গৰ মাজেদি যেনি-তেনি যাবলৈ নিদি ছন্দক ই সংযমিত আৰু লগতে সুললিত কৰি তোলে। যেনে—

পাছে ত্রিনয়ন দিব্য উপবন

দেখিলন্ত বিদ্যমান।

ইয়াত প্ৰথম ছয় অক্ষৰ আৰু দ্বিতীয় ছয় অক্ষৰৰ পাছে পাছে অলপ বিৰাম আৰু পাছৰ আঠ অক্ষৰৰ অন্তত তাতকৈ অলপ বেছি বিৰাম ব্যৱস্থিত। ফলত, এই কথাখিনি নিৰ্দ্দিষ্ট ছন্দ-ৰূপ লোৱাৰ উপৰিও সুললিত আৰু অৰ্থপূৰ্ণ হৈছে।

**পৰ্ব্ব**—প্ৰতিটো যতিয়ে ভাগ কৰি দিয়া অংশবিশেষক পৰ্ব্ব বোলে। "পাছে ত্রিনয়ন," "দিব্য উপবন" আদি অংশবোৰ একোটা পৰ্ব্ব।

**চৰণ বা পাদ**—একাধিক পৰ্ব্বৰ সমষ্টিক পাদ বা চৰণ বোলা হয়। ইয়াৰ মাজেদি এটা সম্পূৰ্ণ ভাব প্ৰকাশ নহয়। যেনে—

পাছে ত্রিনয়ন দিব্য উপবন

দেখিলন্ত বিদ্যমান।

ফল ফুল ধৰি জকমক কৰি

আছে যত বৃক্ষমান॥

এই স্তৱকত, প্ৰথম আৰু তৃতীয় শাৰীত দুটাকৈ আৰু দ্বিতীয় আৰু চতুৰ্থ শাৰীত এটাকৈ, মুঠতে ছয়টা পৰ্ব্ব আছে। কিন্তু ইয়াত পাদ বা চৰণ আছে দুটাহে (প্ৰথম শাৰীৰ দুই পৰ্ব্ব আৰু দ্বিতীয় শাৰীৰ এক পৰ্ব্ব মিলি ১ পাদ, আকৌ তৃতীয় শাৰীৰ দুই পৰ্ব্ব আৰু চতুৰ্থ শাৰীৰ এক পৰ্ব্ব মিলি ১ পাদ)। "পদ"-ছন্দৰ একোটা শাৰীয়েই একোটা পাদ বা চৰণ। ইয়াত একোটা চৰণত দুটাকৈ পৰ্ব্ব থাকে।

**স্তৱক**—(Stanza) একাধিক চৰণযুক্ত আৰু সাধাৰণতে একোটা পূৰ্ণভাৱ প্ৰকাশ কৰা ছন্দোবদ্ধ ৰচনাক স্তৱক বোলা হয়।

যেনে—লঙ্কাপুৰী দেখিলন্ত, ত্ৰিকূট উপৰে।
হুতি অম্ৰাৱতী যেন, সমুদ্ৰ ভিতৰে ॥ ( ৰামা০ মাধৱকন্দলী )

দুটা চৰণযুক্ত ই এটা স্তৱক ( পদ )।

**অন্ত্যমিল** ( rhyme )—স্তৱকৰ চৰণান্তিক-ধ্বনি একে হো-ৱাকে অন্ত্যমিল বোলা হয়। উদাহৰণস্বৰূপে, ওপৰত দিয়া স্তৱ-কৰ দুয়োটা চৰণৰ অন্তৰ "ৰে" ৰ মিল।

**ছন্দ :** শব্দৰ নিয়মিত বিন্যাস-ব্যৱস্থাৰ মাজেদি কাব্যৰ যি লয়পূৰ্ণ সৌন্দৰ্য্যসৃষ্টি হয়, তাকেই ছন্দ বুলিব পাৰি। ব্যৱস্থিত বিৰাম বা যতি ছন্দৰ মূল কথা, ইয়েই ৰচনাক অৰ্থপূৰ্ণ আৰু ছন্দোবদ্ধ কৰি তোলে। অবাধ-গতিত ধাৱমান জলপ্ৰৱাহতকৈ শিলা-খণ্ডত ঠেকা খাই খাই বৈ যোৱা কলধ্বনিকাৰিণী তটিনী অধিক সুন্দৰীয়েই নহয়, বিচিত্ৰ ভাৱপ্ৰসৱিনীও। সেই-

**ছন্দৰ স্বৰূপ** দৰে অনিয়ন্ত্ৰিত আৰু অবিৰাম ৰচনাপ্ৰৱাহে অৰ্থৰ ব্যঞ্জনা আৰু সৌন্দৰ্য্যসুষমা আনিবলৈ অপাৰগ, নিয়মিত বিৰতিয়ে নিয়ন্ত্ৰিত কৰা ৰচনাইহে তাক আনি দিব পাৰে। উদা-হৰণ স্বৰূপে, "পাছে ত্ৰিনয়ন, দিব্য-উপৱন, দেখিলন্ত বিদ্যমান।" এই পদফাকি দেখুৱা ধৰণে নিয়মিত বিৰতিদ্বাৰা নিয়ন্ত্ৰিত হোৱা কাৰণে ই ৰচনা-লালিত্য আৰু অৰ্থব্যঞ্জনা দুয়োটাকে আনি দিছে। ইয়াৰ বিপৰীতে ই যদি এই ধৰণে অনিয়মিত হয়—"পাছে ত্ৰিন-য়ন দিব্য, উপৱন, দেখিলন্ত বিদ্যমান।" তেতিয়া ই ছান্দস-লালিত্য আৰু অৰ্থব্যঞ্জনা উভয়বিধকে হেৰুৱাব।

**ছন্দ প্ৰধানভাবে দুবিধ**—মিত্ৰাক্ষৰ আৰু অমিত্ৰাক্ষৰ

**মিত্ৰাক্ষৰ ছন্দ**—প্ৰতি স্তৱকৰ এক চৰণৰ শেষৰ সস্বৰ ব্যঞ্জনৰ বা কেৱল স্বৰৰ লগত আন চৰণৰ সস্বৰ ব্যঞ্জনৰ বা কেৱল স্বৰৰ যদি মিল ( Rhyme ) হয়, এনেকুৱা চৰণান্তিক মিল থকা ছন্দক মিত্ৰাক্ষৰ ছন্দ বোলা হয়। মিত্ৰাক্ষৰ ছন্দ কাব্য শৰীৰৰ অলঙ্কাৰ স্বৰূপ, কিয়নো মিত্ৰাক্ষৰ ছন্দৰ স্বৰূপ অন্ত্যানুপ্ৰাস